# অধ্যায় ৮ ঃ ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখা

অধ্যায় গাঁথনি


৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখা

৮.৪ অধ্যয়নৰ বিষয় আৰু প্ৰকৃতি অনুসৰি ভাষা-বিজ্ঞানৰ বিভাজন

৮.৪.১ বৰ্ণনাত্মক ভাষা-বিজ্ঞান

৮.৪.২ ঐতিহাসিক ভাষা-বিজ্ঞান

৮.৪.৩ তুলনামূলক ভাষা-বিজ্ঞান

৮.৫ ভাষা-চিন্তাৰ প্ৰায়োগিক আৰু ব্যৱহাৰিক দিশ অনুসৰি ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা

৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৭ অধিক জানিবলৈ

৮.৮ অগ্ৰগতিৰ খতিয়ান

৮.৯ আৰ্হি প্ৰশ্ন


## ৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাষা-বিজ্ঞানৰ বিভিন্ন শাখাসমূহৰ বিষয়ে অৱগত হ'ব
- বৰ্ণনাত্মক ভাষা-বিজ্ঞানত ভাষাৰ কোনবোৰ দিশ অধ্যয়ন কৰা হয় সেই বিষয়ে আলোচনা কৰিব পাৰিব
- ভাষাৰ অৰ্থ পৰিৱৰ্তনৰ ত্ৰিধাৰা-অৰ্থবিস্তাৰ, অৰ্থসংকোচ আৰু অৰ্থ সংশ্লেষৰ আলোচনাত ঐতিহাসিক ভাষা-বিজ্ঞানৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰিব পাৰিব
- তুলনামূলক ভাষা-বিজ্ঞানত ভাষাৰ কোনবোৰ দিশ অধ্যয়ন কৰা হয়, সেই সম্পৰ্কে অধিক ব্যাখ্যা কৰিব পাৰিব
- ভাষাচিন্তাৰ প্ৰায়োগিক আৰু ব্যৱহাৰিক দিশ অনুসৰি ভাষা-বিজ্ঞানৰ বিভিন্ন শাখাসমূহ বিশ্লেষণ কৰি দেখুৱাব পাৰিব।

## ৮.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায় দুটাৰ জৰিয়তে আপুনি ভাষা পৰিৱৰ্তনৰ লগত সম্পৰ্কিত বিভিন্ন দিশৰ বিষয়ে জানিব পাৰিলে। এই অধ্যায়টোত আপুনি ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখাৰ বিষয়ে অধ্যয়ন কৰিববলৈ পাব।

আপুনি নিশ্চয় এটা কথা জানে যে ভাষাৰ বিজ্ঞানসন্মত, শৃংখলাবদ্ধ অধ্যয়ন বা আলোচনাই হৈছে ভাষা-বিজ্ঞান। ভাষা-বিজ্ঞানত মানৱ ভাষাৰ প্ৰণালীবদ্ধ অধ্যয়ন কৰা হয়। সমগ্ৰ পৃথিৱীত প্ৰচলিত ভাষাসমূহৰ প্ৰত্যেকৰে গঠন প্ৰণালী সুকীয়া সুকীয়া। ভাষাৰ গঠনৰ চাৰিটা স্তৰ, যথা — ধ্বনিৰ স্তৰ, ৰূপৰ স্তৰ, বাক্যৰ স্তৰ আৰু অৰ্থৰ স্তৰক ভাষা-বিজ্ঞানৰ দ্বাৰা বিশ্লেষণ কৰা হয়। কেতিয়াবা কোনো ভাষা-বিজ্ঞানীয়ে কোনো এটা ভাষাক অধ্যয়নৰ কাৰণে বাছি লৈ ভাষাৰ আলোচনা ধ্বনিৰ স্তৰ বা ৰূপৰ স্তৰতে সীমাবদ্ধ ৰাখে। কেতিয়াবা আকৌ ভাষাৰ গঠনৰ আটাইকেইটা স্তৰকে সামৰি লৈ ভাষাটোৰ সম্পৰ্কে পুঙ্খানুপুঙ্খ অধ্যয়ন চলায়।

ভাষা সদায় পৰিৱৰ্তনশীল। বিভিন্ন সময়ত বিভিন্ন কাৰণত পৰিৱৰ্তিত একোটা ভাষাক ভাষা-বিজ্ঞানীসকলে বিভিন্ন দৃষ্টিকোণৰ পৰা অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা, গুৰুত্ব আৰু প্ৰাসঙ্গিকতা স্বীকাৰ কৰি আহিছে আৰু সেয়েহে ভাষা অধ্যয়নৰ বিষয় আৰু পদ্ধতি অনুসৰি ভাষা-বিজ্ঞানক কিছুমান শাখাত বিভক্ত কৰা দেখা যায়।

## ৮.৩ ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখা

কুৰি শতিকাৰ আগলৈকে ভাষা-বিজ্ঞানীসকল একোটা ভাষাৰ সময়ৰ সোঁতত হোৱা পৰিৱৰ্তন অৰ্থাৎ এটা কাল বা স্তৰৰ পৰা আন এটা স্তৰলৈ হোৱা গতি-প্ৰকৃতি সম্পৰ্কে কৰা আলোচনাৰ মাজতে আবদ্ধ আছিল। তাৰ লগে লগে দুই বা ততোধিক ভাষাৰ মাজত তুলনামূলক অধ্যয়নেও বিশেষ গুৰুত্ব লাভ কৰিছিল। কুৰি শতিকাৰ প্ৰাৰম্ভৰে পৰা চুইচ ভাষা-বিজ্ঞানী ফাৰ্ডিনাণ্ড দ্য চ্যচুৰৰ দ্বাৰা আৱিষ্কৃত নতুন ভাষাসূত্ৰৰ আধাৰত ভাষাৰ গঠন পদ্ধতিৰ সমকালীন ৰূপৰ আলোচনাই বিশেষ মৰ্যাদা লাভ কৰে। সি যি কি নহওক অধ্যয়নৰ বিষয় আৰু প্ৰকৃতিলৈ লক্ষ্য ৰাখি ভাষা-বিজ্ঞানক তিনিটা প্ৰধান ভাগত বিভক্ত কৰা হৈছে। এই প্ৰধান ভাগকেইটা হ'ল —

- বৰ্ণনাত্মক ভাষা-বিজ্ঞান (Descriptive Linguistics)
- ঐতিহাসিক ভাষা-বিজ্ঞান (Historical Linguistics)
- তুলনামূলক ভাষা-বিজ্ঞান (Comparative Linguistics)

আন কোনো কোনো ভাষা-বিজ্ঞানীয়ে ভাষা-বিশ্লেষণৰ পদ্ধতিৰ প্ৰকৃতি অনুসৰি ভাষা-বিজ্ঞানৰ বিভিন্ন শাখাক তলত দিয়াৰ দৰেও নামকৰণ কৰিছে —

- সমকালিক ভাষা-বিজ্ঞান (Synchronic Linguistics)
- ক্ৰমকালিক ভাষা-বিজ্ঞান (Diachronic Linguistics)
- তুলনামূলক ভাষা-বিজ্ঞান (Comparative Linguistics)

আধুনিক ভাষা-বিজ্ঞানী ফাৰ্ডিনাণ্ড দ্য চ্যচুৰৰ ভাষা-চিন্তাৰ এটা প্ৰধান দিশ হৈছে ভাষাৰ অধ্যয়নক দুটা ভাগ কৰি দেখুওৱা; এটা হৈছে কালক্ৰমিক বা ঐতিহাসিক (Diachronic) আৰু আনটো হৈছে এককালিক (Synchronic)। অৱশ্যে তেওঁ এককালিক ভাষা অধ্যয়নতহে বেছি গুৰুত্ব দিছিল, কিয়নো ঐতিহাসিক ভাষা-চিন্তা ভাষাৰ পৰিৱৰ্তনৰ অধ্যয়নৰ মাজতে সীমাবদ্ধ।

ভাষা-অধ্যয়নক এই সীমাবদ্ধতাৰ পৰা মুকলি কৰি ভাষাক এক জীৱন্ত সম্পদৰূপে লক্ষ্য কৰাই আছিল চ্যচুৰৰ প্ৰধান লক্ষ্য। সেইবাবে তেওঁ ভাষাৰ প্ৰচলিত প্ৰৱাহৰ, অৰ্থাৎ সমকালীন ৰূপৰ বিচাৰ বিশ্লেষণত বিশেষ গুৰুত্ব দিছিল।

মানৱ সভ্যতা-সংস্কৃতিৰ বিকাশৰ লগে লগে জ্ঞানৰ জগততো সদা নতুন নতুন চিন্তা-চৰ্চাৰ দিশ উন্মোচিত হৈছে। বিশেষকৈ ঊনবিংশ শতিকাত পশ্চিমীয়া ভাষা-চিন্তাৰ জগতত প্ৰচলিত ধ্যান-ধাৰণা, চিন্তা-চৰ্চাৰ পৰা আতঁৰি আহি এক নতুন চিন্তা-চেতনাৰ আদৰ্শৰ জোৱাৰ ববলৈ ধৰে। ফলত ভাষা-বিজ্ঞানীসকলৰ ভাষা-চিন্তাতো নতুন নতুন ৰীতিৰ সংযোজন ঘটে। ভাষা-চিন্তাৰ এই নতুন ৰীতিসমূহ কেৱল ভাষা-চিন্তাৰ মাজতে আবদ্ধ নাথাকি ভাষাৰ লগত সম্পৰ্ক থকা অন্যান্য বিষয়সমূহ, যেনে — নৃবিজ্ঞান, সমাজবিজ্ঞান, মনোবিজ্ঞান, দৰ্শন, ভূগোল, প্ৰযুক্তি বিদ্যা আদিৰ লগতো জড়িত হৈ পৰিল। ফলস্বৰূপে কুৰি শতিকাৰ পঞ্চাশৰ দশকৰ পৰা আধুনিক ভাষা-বিজ্ঞানৰ অংগ হিচাপে নতুন নতুন প্ৰশাখাই ভাষা-বিজ্ঞানৰ অধ্যয়নৰ বিস্তীৰ্ণ ক্ষেত্ৰখন সামৰি ল'লে। ভাষা-চিন্তাৰ প্ৰায়োগিক আৰু ব্যৱহাৰিক নতুন দিশবোৰক তলত দিয়া ধৰণে নামকৰণ কৰা হৈছে—

(ক) বৈপৰীত্যমূলক বা ভেদাত্মক ভাষা-বিজ্ঞান (Contrastive Linguistics)
(খ) মনোভাষা-বিজ্ঞান (Psycholinguistics)
(গ) সমাজ ভাষা-বিজ্ঞান (Sociolinguistics)
(ঘ) ভূ-ভাষা-বিজ্ঞান (Geographical Linguistics)
(ঙ) প্ৰয়োগ ভাষা-বিজ্ঞান (Applied Linguistics)
(চ) ৰূপান্তৰ সৃজনাত্মক ব্যাকৰণ (Transformational Generative Grammar)

## ৮.৪ অধ্যয়নৰ বিষয় আৰু প্ৰকৃতি অনুসৰি ভাষা-বিজ্ঞানৰ বিভাজন

আগতেই উল্লেখ কৰা হৈছে যে, ভাষা অধ্যয়নৰ বিষয় আৰু প্ৰকৃতিলৈ লক্ষ্য ৰাখি ভাষা-বিজ্ঞানক তিনিটা প্ৰধান ভাগত বিভক্ত কৰা হৈছে। তলত এই ভাগসমূহৰ চমু বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হ'ল।

### ৮.৪.১ বৰ্ণনাত্মক ভাষা-বিজ্ঞান

ভাষা এটাৰ নিৰ্দিষ্ট এক কালৰ ভাষিক গতি-প্ৰকৃতি সম্পৰ্কে বিজ্ঞানসন্মতভাৱে কৰা অধ্যয়নেই হৈছে বৰ্ণনাত্মক ভাষা-বিজ্ঞান। ভাষা এটা ক'ৰপৰা উৎপত্তি হৈছে ভাষাটোৰ পূৰ্ব ৰূপ কি আছিল বা কেনে পৰিৱৰ্তনৰ মাজেদি আহি ভাষা এটাই বৰ্তমানৰ ৰূপ লাভ কৰিছেহি এনেবোৰ বিষয় বৰ্ণনাত্মক ভাষা-বিজ্ঞানত আলোচনা কৰা নহয়। ইয়াত ভাষা-বিজ্ঞানীসকলে এটা সময়ৰ পৰিধিৰ মাজত বৰ্তি থকা ভাষাৰ ৰূপটোকহে অধ্যয়ন কৰাত অধিক গুৰুত্ব দিয়া দেখা যায়।

বৰ্ণনাত্মক ভাষা-বিজ্ঞানত ভাষা এটাৰ কথিত ৰূপৰ যথাযথ বৰ্ণনাৰে বিজ্ঞানসন্মত বিশ্লেষণ আগবঢ়োৱা হয়। মন কৰিবলগীয়া কথা যে, একেটা ভাষাকে বিভিন্ন পৰিৱেশ, পৰিস্থিতি অনুসৰি একেজন মানুহে ভিন্ন ধৰণে ব্যৱহাৰ কৰে। বৰ্ণনাত্মক ভাষা-বিজ্ঞানীয়ে ভাষাৰ এনে সূক্ষ্মাতিসূক্ষ্ম কথাবোৰলৈ আওকাণ কৰা দেখা যায়। তেওঁলোকে ভাষাৰ গাঁথনিক স্তৰটোতহে অধিক গুৰুত্ব দিয়ে। ভাষাৰ গঠন পদ্ধতিৰ দিশত অধিক গুৰুত্ব আৰোপ কৰাৰ বাবে বৰ্ণনাত্মক ভাষা-বিজ্ঞানক আধুনিক ভাষা বিজ্ঞানীসকলে 'গঠনাত্মক ভাষা-বিজ্ঞান' (Structural Linguistics) বুলিও অভিহিত কৰিছে। অৰ্থাৎ গঠনাত্মক ভাষা-বিজ্ঞানক বৰ্ণনাত্মক ভাষা-বিজ্ঞানৰে এক আধুনিক ৰূপ বুলি ক'ব পৰা যায়। ভাষাৰ প্ৰধান উপাদানসমূহ হৈছে — ধ্বনি, ৰূপ, বাক্য আৰু অৰ্থ। এই প্ৰত্যেকটো উপাদানেই পৰস্পৰে পৰস্পৰৰ লগত সুসংগতভাৱে জড়িত। বৰ্ণনাত্মক ভাষা-বিজ্ঞানত ভাষাৰ প্ৰতিটো স্তৰ, যেনে — ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব আৰু অৰ্থতত্ত্ব সম্পৰ্কে পুঙ্খানুপুঙ্খভাৱে প্ৰণালীবদ্ধ অধ্যয়ন কৰা হয়।

- *ধ্বনিতত্ত্ব (Phonology)ঃ* ধ্বনিতত্ত্বত ভাষাটোৰ বিশিষ্ট ধ্বনি আৰু সিহঁতৰ উপধ্বনিসমূহৰ বৰ্ণনা কৰা হয়। ইয়াত ভাষা-বিজ্ঞানীসকলে প্ৰথমে অধ্যয়ন কৰিবলগীয়া ভাষাটোৰ সামগ্ৰীখিনি ক্ষেত্ৰ অধ্যয়নৰ দ্বাৰা সংগ্ৰহ কৰি লৈ ধ্বনিসমূহৰ প্ৰণালীবদ্ধ অধ্যয়ন কৰিব লাগে। অধ্যয়ন কৰা ভাষাটোৰ উচ্চাৰিত স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিসমূহ চিনাক্ত কৰাৰ পাছত বৰ্ণ বিশ্লেষণৰ নিয়মেৰে বৰ্ণ আৰু উপধ্বনি নিৰ্ণয় কৰিব লাগে। ধ্বনিসমূহৰপৰা বৰ্ণ চিনাক্ত কৰাৰ পাছত বৰ্ণৰ অৰ্ন্তনিহিত ধ্বনিৰ উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি তালিকা প্ৰস্তুত কৰিব লাগে। তদুপৰি দ্বিস্বৰ ধ্বনি, ত্ৰিস্বৰ ধ্বনি, যুক্তব্যঞ্জন আদিৰো তালিকা কৰি দেখুৱাব লাগে। ভাষাৰ শ্বাসাঘাত বা বলাঘাত, সুৰ আৰু সুৰ লহৰ আদিও ধ্বনিতত্ত্বৰ বিশ্লেষণৰ বিষয়। এনেদৰে বৰ্ণনাত্মক ভাষা-বিজ্ঞানৰ সহায়ত ভাষা এটাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰি চোৱা হয়।
- *ৰূপতত্ত্ব (Morphology)ঃ* ইয়াত ভাষাটোৰ শব্দমূল আৰু ক্ৰিয়ামূল বা ধাতুত বিভিন্ন বিভক্তি আৰু প্ৰত্যয় যোগ হৈ কেনেদৰে নতুন নতুন ৰূপ গঠন কৰে তাৰ বৰ্ণনা থাকে। ভাষাত উচ্চাৰিত হোৱা ধ্বনিসমূহ বাচি উলিওৱাৰ পাছত ধ্বনি সংযোগৰ ফলত সৃষ্টি হোৱা ৰূপসমূহৰ বিষয়ে অধ্যয়ন কৰাই ৰূপতত্ত্বৰ প্ৰধান কাম। শব্দৰ গঠন-ৰীতি সম্পৰ্কে ৰূপতত্ত্বত আলোচনা কৰা হয়।
- *বাক্যতত্ত্ব (Syntax)ঃ* ধ্বনি সংযোগ আৰু ৰূপ সংযোগৰ ফলত সৃষ্টি হোৱা পদসমূহক অৰ্থৰ সঙ্গতি ৰাখি যথাস্থানত বহুৱাই বাক্যৰ সৃষ্টি কৰা হয়। প্ৰত্যেক ভাষাৰে বাক্যবিন্যাসৰ কিছুমান নিজস্ব বৈশিষ্ট্য থাকে। সাধাৰণতে অসমীয়া ভাষাত বাক্যৰ ক্ৰম হৈছে - কৰ্তা + কৰ্ম + ক্ৰিয়া । কিন্তু ইংৰাজী ভাষাত কৰ্তা + ক্ৰিয়া + কৰ্ম। এনেবোৰ কথা বাক্যবিন্যাসৰ ভিতৰুৱা। তদুপৰি বাক্যৰ বিভিন্ন প্ৰকাৰ, ৰূপান্তৰ

প্ৰক্ৰিয়াৰ সহায়ত নতুন নতুন বাক্য সৃষ্টি আদিও বাক্যতত্ত্বই সামৰি লয়।

➢ *অৰ্থতত্ত্ব (Semantics)ঃ* বৰ্ণনাত্মক ভাষা-বিজ্ঞানত শব্দৰ অৰ্থৰ দিশটোও সামৰি লোৱা হয়। শব্দ আৰু অৰ্থৰ সম্বন্ধ, পৰিস্থিতিভেদে শব্দৰ অৰ্থৰ ভেদ, সময় অনুক্ৰমে অৰ্থৰ ভেদ, সমাৰ্থবাচকতা, বিপৰীতাৰ্থ আৰু শব্দৰ মাজত লুকাই থকা অন্তৰ্বৰ্তী অৰ্থৰ বিশ্লেষণ বৰ্ণনাত্মক ভাষাবিজ্ঞানে সামৰি লয়।

ভাষা এটা বিস্তৃত অঞ্চলত বিয়পি পৰাৰ পাছত ইয়াৰ কিছুমান উপৰূপৰ সৃষ্টি হোৱা দেখা যায়। ভাষাৰ এই উপৰূপবোৰৰ অধ্যয়নো বৰ্ণনাত্মক ভাষাবিজ্ঞানে সামৰি ল'ব খোজে। অৰ্থাৎ বৰ্ণনাত্মক ভাষাবিজ্ঞানে ভাষাত থাকিব পৰা বিভিন্ন উপভাষা বা আঞ্চলিক উপভাষাসমূহ(Subdialects) ৰ অস্তিত্ব সম্বন্ধেও আলোকপাত কৰে। বৰ্ণনাত্মক ভাষা-বিজ্ঞানৰ পদ্ধতিৰে অধ্যয়ন কৰা এখন গ্ৰন্থ হ'ল ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যৰ *A Descriptive Analysis of the Boro Language.*

## ৮.৪.২ ঐতিহাসিক ভাষা-বিজ্ঞান

ঐতিহাসিক ভাষা-বিজ্ঞানত ভাষা এটাৰ ক্ৰমবিৱৰ্তনৰ ধাৰা সম্পৰ্কে আলোচনা আগবঢ়োৱা হয়। ভাষা এটাৰ মূল উৎস কি আছিল, কি কি পৰিৱৰ্তনৰ মাজেদি আহি ভাষা এটাই বৰ্তমানৰ অৱস্থা পাইছেহি আদি কথাবোৰ ঐতিহাসিক ভাষা-বিজ্ঞানৰ আলোচনাৰ বিষয়। বৰ্ণনাত্মক ভাষা-বিজ্ঞানৰ দৰে ঐতিহাসিক ভাষা-বিজ্ঞানৰ অধ্যয়নতো ধ্বনিগত, ৰূপগত, বাক্যগত আৰু অৰ্থগত এই চাৰিটা দিশ চালিজাৰি চাই বৰ্তমানৰ ভাষাটোৰ ৰূপৰ লগত সংগতি ৰাখি অতীতক খুচৰি চাই ভাষাৰ ক্ৰমবিৱৰ্তনৰ এটি ইতিহাস দাঙি ধৰা হয়। ঐতিহাসিক ভাষাবিজ্ঞানে ভাষাৰ লিখিত ৰূপক প্ৰামাণ্য উপাদান হিচাপে লৈ আলোচনা কৰে। আনহাতে বৰ্ণনাত্মক ভাষাবিজ্ঞানে ভাষাৰ কথিত ৰূপটোত অধিক গুৰুত্ব দিয়ে। শব্দৰূপ আৰু তাৰ পৰিৱৰ্তনৰ ধাৰা আলোচনা কৰোঁতে ঐতিহাসিক ভাষা-বিজ্ঞানীয়ে প্ৰাচীন শিলালিপি, তাম্ৰফলি, পৰিব্ৰাজকৰ টোকা, প্ৰাচীন হাতেলিখা পুথি আদি বিভিন্ন পাঠৰ অধ্যয়ন কৰে। তাৰ পিছত সাধাৰণীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে বিভিন্ন ৰূপৰ ভিতৰত একোটাক সেই সময়ৰ শুদ্ধ বা মান্যৰূপ বুলি গ্ৰহণ কৰে আৰু তাৰ ভিত্তিতে বৰ্তমান ৰূপসমূহৰ গঠন প্ৰণালী আলোচনা কৰে। এই আলোচনা যথেষ্ট তাত্ত্বিক। বাক্যবিন্যাসৰ আলোচনাতকৈ অৰ্থতত্ত্বৰ আলোচনাত ঐতিহাসিক ভাষা-বিজ্ঞানে অধিক গুৰুত্ব আৰোপ কৰা দেখা যায়। শব্দৰ পুৰণি অৰ্থ কি আছিল, কি কি পৰিৱৰ্তন কেনেধৰণে সাধিত হৈছে সেই কথা তেওঁলোকে পুঙ্খানুপুঙ্খভাৱে বিশ্লেষণ কৰে। বহুসময়ত তেওঁলোকে এইটোও প্ৰতিপন্ন কৰিব বিচাৰে যে প্ৰাচীন অৰ্থটোহে শব্দটোৰ আচল আৰু শুদ্ধ অৰ্থ।

পৃথিৱীৰ ভাষাসমূহত শব্দৰ অৰ্থ পৰিৱৰ্তনৰ বিভিন্ন উদাহৰণ পোৱা যায়। সংস্কৃত 'মহাজন' শব্দই মহান লোকক বুজাইছিল। কিন্তু বৰ্তমান দোকানী, বেপাৰী, পুঁজিপতি আদি লোকককহে বুজোৱা হ'ল। আনকি যিসকল লোকে বিভিন্ন ব্যৱসায়, যেনে — গাখীৰৰ ব্যৱসায়, খৰিৰ ব্যৱসায়, মাছৰ ব্যৱসায় আদি কৰি ধন উপাৰ্জন কৰিছে তেওঁলোককো 'মহাজন' বুলিয়েই মাতে। সেইদৰে ইংৰাজী 'deer' শব্দই যি কোনো জন্তুকে বুজাইছিল, কিন্তু 'deer' শব্দৰ অৰ্থ সংকুচিত হৈ কেৱল এবিধ জন্তু 'হৰিণ'ক বুজাবলৈ ধৰিলে। গতিকে দেখা যায়, সমাজ পৰিৱৰ্তনৰ লগে লগে ভাষাৰ অৰ্থৰো পৰিৱৰ্তন হয়। শব্দৰ অৰ্থৰ পৰিসৰ কেতিয়াবা বহল হয়, কেতিয়াবা সংকুচিত হয় আৰু কেতিয়াবা একোটাহঁত শব্দত সম্পূৰ্ণ ভিন্ন অৰ্থও আৰোপিত হয়। শব্দৰ অৰ্থ পৰিৱৰ্তনৰ ত্ৰিধাৰা— অৰ্থসংকোচ, অৰ্থবিস্তাৰ আৰু অৰ্থসংশ্লেষৰ আলোচনাত ঐতিহাসিক ভাষাবিজ্ঞানে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। সুনীতি কুমাৰ চেটাৰ্জীৰ *The Origin and Development of the Bengali Language* আৰু বাণীকান্ত কাকতিৰ *Assamese: Its Formation and Development* এই শাৰীৰ মূল্যৱান গ্ৰন্থ। বৰ্তমান প্ৰচলিত অসমীয়া শব্দৰ আৰু ৰূপসমূহৰ মূল সংস্কৃতত কি আছিল আৰু প্ৰাকৃতৰ কোন স্তৰৰ মাজেদি পৰিৱৰ্তিত হৈ অসমীয়া ভাষাই বৰ্তমান ৰূপ পৰিগ্ৰহ কৰিছে — ইত্যাদি কথা কাকতিৰ গ্ৰন্থত বহলাই আলোচনা কৰা হৈছে।

## ৮.৪.৩ তুলনামূলক ভাষা-বিজ্ঞান

ভাষাৰ প্ৰণালীবদ্ধ অধ্যয়নত বৰ্ণনাত্মক আৰু ঐতিহাসিক ভাষা-বিজ্ঞানৰ যেনেদৰে গুৰুত্ব আছে ঠিক তেনেদৰে তুলনামূলক ভাষা-বিজ্ঞানৰো ভাষাৰ প্ৰণালীবদ্ধ আলোচনাত সমানেই গুৰুত্ব আছে। ঐতিহাসিক ভাষা-বিজ্ঞানত এটা স্তৰৰ পৰা আন এটা স্তৰলৈকে ভাষাৰ পৰিৱৰ্তনৰ গতি-প্ৰকৃতি সম্পৰ্কে আলোচনা কৰা হয় আৰু ভাষাটোৰ মূল নিৰ্ণয় কৰা হয়। আনহাতে বৰ্ণনাত্মক ভাষা-বিজ্ঞানত ভাষাৰ প্ৰচলিত প্ৰৱাহৰ সামগ্ৰিক গাঁথনিক স্বৰূপ দাঙি ধৰা হয়। তুলনামূলক ভাষা-বিজ্ঞানত সমগোত্ৰীয় দুটা বা ততোধিক ভাষাৰ মাজত ধ্বনিগত, ৰূপগত, বাক্যগত আৰু অৰ্থগত আদি দিশত পৰস্পৰৰ সম্পৰ্ক দেখুৱাই অধ্যয়ন কৰা হয়। এনে তুলনামূলক অধ্যয়নৰ দ্বাৰা আলোচ্য ভাষাসমূহ যে একে মূলৰ পৰা ওলোৱা সেইটো প্ৰমাণ কৰি দেখুৱাব পাৰি। কেতিয়াবা আকৌ একেটা ভাষাৰে প্ৰাচীন আৰু আধুনিক ৰূপৰ তুলনা কৰা যায়। তাকো তুলনামূলক ভাষা-বিজ্ঞানৰ শাৰীত পেলোৱা হয়।

ভাষা এটাৰ সময়ৰ সোঁতত হোৱা পৰিৱৰ্তন আৰু ভাষাৰ পূৰ্বৰূপ নিৰ্ণয় কৰাত তুলনামূলক ভাষা-বিজ্ঞানৰ অধ্যয়নে সহায় কৰে। ভাষাৰ বৰ্গীকৰণৰ ক্ষেত্ৰতো তুলনামূলক অধ্যয়নে বিশেষভাৱে সহায় কৰে। ঐতিহাসিক ভাষা-বিজ্ঞানৰ গাত আঁউজিয়ে তুলনামূলক

ভাষা-বিজ্ঞানীয়ে ভাষাৰ তুলনামূলক বিশ্লেষণ কৰে। তুলনামূলক অধ্যয়নৰ দ্বাৰা ওঠৰ শতিকাত সংস্কৃত-গ্ৰীক আৰু লেটিন ভাষা যে একেমূলৰ সেই সিদ্ধান্তত উপনীত হৈছিল। Robert Caldweel ৰ *A Comparative Grammar of the Dravidian Language* (1913), John Beames ৰ *A Comparative Grammar of Modern Aryan Languages of India* আদি এই শাৰীৰ দুখন মূল্যৱান গ্ৰন্থ।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** ভাষা অধ্যয়নৰ বিষয় আৰু প্ৰকৃতি অনুসৰি ভাষা-বিজ্ঞানক কেইটা আৰু কি কি প্ৰধান ভাগত বিভক্ত কৰিব পাৰি?

..............................................................................................

..............................................................................................

**প্ৰশ্ন নং ২ ঃ** বৰ্ণনাত্মক ভাষা-বিজ্ঞানত ভাষাৰ কোনটো ৰূপত গুৰুত্ব দিয়া হয়? লিখিত নে কথিত?

..............................................................................................

## ৮.৫ ভাষা-চিন্তাৰ প্ৰায়োগিক আৰু ব্যৱহাৰিক দিশ অনুসৰি ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা

ভাষা অধ্যয়নৰ উক্ত তিনিটা প্ৰধান শাখাৰ উপৰি আৰু কিছুমান ভাগত বিভক্ত কৰা হৈছে বুলি ইতিমধ্যেই উল্লেখ কৰি অহা হৈছে। শিক্ষাৰ প্ৰসাৰ আৰু বৈজ্ঞানিক উপকৰণৰ প্ৰগতিৰ লগে লগে ভাষা-বিজ্ঞানৰ নানা সমল যুক্ত হৈ নতুন নামকৰণেৰে নতুন শাখাৰ বিকাশ ঘটিল। তলত সেই শাখাসমূহৰ চমু পৰিচয় দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ল—

- **বৈপৰীত্যমূলক বা ভেদাত্মক ভাষা-বিজ্ঞান ঃ** বৈপৰীত্যমূলক বা ভেদাত্মক ভাষা-বিজ্ঞানক তুলনামূলক ভাষা বিজ্ঞানৰে এক নতুন ৰূপ বুলি ক'ব পাৰি। ইয়াত দুটা সমগোত্ৰীয় বা বিসমগোত্ৰীয় ভাষাৰ প্ৰভেদবোৰ বৰ্ণনাত্মক বিশ্লেষণৰ দ্বাৰা তুলনা কৰি দেখুওৱা হয়। আলোচ্য কোনোটো ভাষাকে ইয়াত ঐতিহাসিক দৃষ্টিকোণেৰে অধ্যয়ন কৰা নহয়। এনে অধ্যয়নত সাধাৰণতে ভাষাৰ কথিত ৰূপত গুৰুত্ব আৰোপ কৰি অধ্যয়ন কৰিবলৈ লোৱা ভাষা দুটাৰ মাজত ধ্বনি, ৰূপ, বাক্য, অৰ্থ — এই সকলো স্তৰতে তুলনা দাঙি ধৰে আৰু দুয়োটা ভাষাৰ মাজত থকা ভেদখিনি সুস্পষ্ট ৰূপত বৰ্ণনা কৰে।

  বৈপৰীত্যমূলক ভাষা-বিজ্ঞান আৰু তুলনামূলক ভাষা-বিজ্ঞানৰ মাজত অধ্যয়নৰ দৃষ্টিভংগীৰ যথেষ্ট পাৰ্থক্য পৰিলক্ষিত হয়। প্ৰথমতে, তুলনামূলক ভাষা-বিজ্ঞানত আলোচ্য ভাষাসমূহ সমগোত্ৰীয় বা একেমূলৰ পৰা ওলোৱা হ'ব লাগে। কিন্তু বৈপৰীত্যমূলক ভাষা-বিজ্ঞানত সমগোত্ৰীয় বা ভিন্নগোত্ৰীয় দুটা বা ততোধিক ভাষাৰ মাজত তুলনা কৰা হয়। দ্বিতীয়তে, তুলনামূলক ভাষা-বিজ্ঞানত ভাষা-বিজ্ঞানীসকলে আলোচ্য ভাষাসমূহ যে

একেমূলৰ পৰা ওলোৱা আৰু ভাষাসমূহৰ মাজত অধিক সাদৃশ্য বৰ্তমান সেইকথা প্ৰমাণ কৰাৰ প্ৰয়াস কৰে। কিন্তু বৈপৰীত্যমূলক ভাষা-বিজ্ঞানত দুয়োটা ভাষাৰ মাজত থকা ভেদখিনিহে স্পষ্ট ৰূপত দাঙি ধৰে। তৃতীয়তে, তুলনামূলক ভাষা-বিজ্ঞানে ভাষাৰ অধ্যয়নত লিখিত ভাষাকহে প্ৰামাণিক তথ্য হিচাপে গ্ৰহণ কৰে কিন্তু বৈপৰীত্যমূলক ভাষা-বিজ্ঞানত কথ্য ভাষাহে আলোচনা বা বিশ্লেষণৰ মূল বিষয়, লিখিত ভাষা নহয়। জাপানী আৰু অসমীয়া ভাষাৰ তুলনামূলক বিশ্লেষণ ভেদাত্মক ভাষা-বিজ্ঞানৰ বিষয় হ'ব পাৰে, কিন্তু তুলনামূলক ভাষা-বিজ্ঞানৰ নহয়। ফণীন্দ্ৰ নাৰায়ণ দত্তবৰুৱাৰ গৱেষণা গ্ৰন্থ *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya* স্বৰূপাৰ্থত বৈপৰীত্যমূলক ভাষা-বিজ্ঞানৰ অন্তৰ্গত।

- **মনোভাষা-বিজ্ঞান ঃ** মানুহৰ ভাষিক আচৰণ আৰু মানসিক প্ৰক্ৰিয়াসমূহৰ সম্বন্ধ সম্পৰ্কে য'ত পুঙ্খানুপুঙ্খ অধ্যয়ন কৰা হয় সেয়াই হৈছে মনোভাষা-বিজ্ঞান । অৰ্থাৎ মনস্তাত্ত্বিক দৃষ্টিকোণৰপৰা কৰা ভাষা বিশ্লেষণকে মনোভাষা-বিজ্ঞান বোলে। অৱশ্যে সকলো ধৰণৰ মানৱ আচৰণৰ অধ্যয়ন মনস্তত্ত্বৰ ভিতৰত নপৰে। মনস্তত্ত্বৰ অধ্যয়নৰ মূল বিষয়বস্তু হ'ল— শিক্ষা (learning), অনুৰক্তি (motivation), উপলব্ধি (perception) আৰু ব্যক্তিভেদে থকা দক্ষতাৰ ভেদ ইত্যাদি। এই আচৰণসমূহ অধ্যয়ন কৰোঁতে ভাষা-বিজ্ঞানীজনে আচৰণ বিশেষৰ প্ৰকৃতি আলোচনা কৰাতকৈ এই আচৰণসমূহৰ অন্তৰালত থকা অভিপ্ৰায় বা প্ৰেৰণাৰ কথাহে আলোচনা কৰে। মনোভাষা-বিজ্ঞানত সাধাৰণতে তলত দিয়া প্ৰশ্নসমূহৰ সমিধান বিচৰা হয়।
    - মানুহে কোৱা ভাষাকহে কিয় ভাষা বুলি কোৱা হয়?
    - মানৱ শিশুৱে কেনেদৰে ভাষা আহৰণ কৰে?
    - মানুহে কেনেদৰে কথা কয় আৰু কথা কোৱাৰ অন্তৰালত কি কি মানসিক প্ৰক্ৰিয়া জড়িত হৈ আছে?
    - মানুহে ভাষা কেনেকৈ বুজি পায়? ভাষাৰ অৰ্থবোধ কৰাৰ ক্ষেত্ৰত কি কি প্ৰক্ৰিয়া অৰ্ন্তনিহিত হৈ আছে?

এই আটাইকেইটা দিশ সামৰি মনোভাষা-বিজ্ঞানে একোটা পৰীক্ষামূলক আলোচনা আগবঢ়ায়। অৰ্থাৎ মনোভাষা-বিজ্ঞানীয়ে কোনো এটা বিশেষ ভাষাৰ অধ্যয়ন নকৰে। সাধাৰণতে আমি ভাষা বুলিলে যি বুজোঁ সেই ভাষাৰ পিছফালে থকা মনৰ ক্ৰিয়া-কলাপৰ কথাহে ইয়াৰ প্ৰধান আলোচ্য বিষয়।

মানৱ শিশুৱে কাৰ্য-কাৰণ নিৰ্ণয় কৰিব নোৱৰা বয়সত ভাষাৰ জটিল নীতি নিয়মবোৰ কেনেকৈ আয়ত্ত কৰে, শব্দৰ পৰা কেনেকৈ অৰ্থ উদ্ধাৰ কৰে, লোকে কোৱা শুনি নিজৰ মনৰ প্ৰতিক্ৰিয়া ভাষাৰ মাধ্যমেৰে কেনেকৈ প্ৰকাশ কৰে— ইত্যাদি কথা মনোভাষা-বিজ্ঞানৰ অধ্যয়নৰ ভিতৰুৱা। চমস্কি আদি বহু কেইগৰাকী ভাষাবিদৰ ভাষাবিষয়ক সূত্ৰৰ ভিত্তিও মনোভাষা-বিজ্ঞান। এজন মানুহে যিমান পৰিমাণৰ কথা জানে, সিমান পৰিমাণৰ কথা কোনো

এক সময়ত প্ৰকাশ কৰিব নোৱাৰিব পাৰে অথবা কোৱা ভাষাত বহুতো ভুল-ভ্ৰান্তি, বিসংগতি থাকিব পাৰে। কিন্তু সেইবোৰ বাহ্যিক আৰু ক্ষণস্থায়ী। এই বাহ্যিক আৰু ক্ষণস্থায়ী ভুল-ভ্ৰান্তিৰ উৰ্ধত থকা এটা সাধাৰণ আদৰ্শ ভাষা-প্ৰণালী বক্তা আৰু শ্ৰোতা দুয়োৰে মনতে ধাৰণা কৰি লয় আৰু ইয়াৰ ফলস্বৰূপেই শ্ৰোতাই ভুল-ভ্ৰান্তিৰ মাজতো বিশুদ্ধভাৱে ভাষা বুজে। এই আদৰ্শ ভাষা-প্ৰণালীটো সম্পূৰ্ণভাৱে মনৰ বস্তু, বিমূৰ্ত। তাৰ অধ্যয়নত প্ৰজ্ঞা বা অন্তৰানুভূতিৰ স্থান বিশেষভাৱে স্বীকৃত। অৰ্থাৎ মনোভাষা-বিজ্ঞান বস্তুধৰ্মী পৰ্যবেক্ষণৰ উৰ্ধত। গতিকে দেখা যায় মনোভাষা-বিজ্ঞানৰ অধ্যয়নৰ পৰিসৰ যথেষ্ট বহল। মনোভাষা-বিজ্ঞানৰ অধ্যয়নৰ যোগেদি পোৱা তথ্যসমূহক শিক্ষা দিয়াৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰি।

- **সমাজ-ভাষা-বিজ্ঞান ঃ** মানৱ সংস্কৃতিৰ শ্ৰেষ্ঠ মাধ্যম হ'ল ভাষা, যাক মানুহে পৰম্পৰাগতভাৱে ইজনে সিজনৰপৰা আহৰণ কৰে। অন্যহাতেদি ভাষাৰ মাধ্যমেদি মানৱ সভ্যতা, সংস্কৃতিৰ বিকাশ ঘটে। সমাজৰ পৰিৱৰ্তনৰ লগে লগে ভাষায়ো ৰূপ সলায়, অৰ্থাৎ সভ্যতাভেদে ভাষাই সুকীয়া সুকীয়া ৰূপ ল'বলৈ ধৰে। ভাষা আৰু সমাজ কোনোটোৱে এটাই আনটোক বাদ দি থাকিব নোৱাৰে। ভাষা আৰু সমাজৰ মাজত থকা সম্বন্ধৰ সকলো দিশ সমাজ ভাষা-বিজ্ঞানত অধ্যয়ন কৰা হয়। সমাজ ভাষা-বিজ্ঞানৰ অধ্যয়নৰ যোগেদি ভাষিক আৰু সামাজিক স্তৰত বিভিন্ন ধৰণে আত্মপ্ৰকাশ কৰা ভাষাৰ বিভিন্নতা একত্ৰীকৰণ কৰিবলৈ প্ৰয়াস কৰা হয়।

  এখন সমাজত ভাষাৰ ভেদৰ বহুতো উপাদান নিহিত হৈ থাকে। এই উপাদান অনুসৰি ভাষাক সমাজতাত্ত্বিক দিশত বিশ্লেষণ কৰিলে বিভিন্ন ৰূপ পোৱা যায়। উদাহৰণস্বৰূপে, সমগ্ৰ অসমৰ মানুহে অসমীয়া ভাষাক মান্যভাষাৰূপে ব্যৱহাৰ কৰে যদিও পৰিৱেশ আৰু পৰিস্থিতিভেদে বিভিন্ন ৰূপ পোৱা যায়। অসমীয়া ভাষাত ভেদ সৃষ্টি কৰা উপাদানবিলাক তলত দিয়াৰ দৰে দেখুৱাব পাৰি —

  - ➢ বক্তা আৰু শ্ৰোতাৰ প্ৰকৃতি, যেনে — আৰ্থ-সামাজিক, লিঙ্গভেদে, ব্যৱসায় অনুসৰি ভাষাৰ ভিন্নতা পৰিলক্ষিত হয়।
  - ➢ বক্তাই কাৰ সৈতে কথাবতৰা পাতিছে — তেওঁতকৈ বয়সত সৰু নে ডাঙৰ নে সমনীয়া — সেই অনুসৰি ভিন্নতা পৰিলক্ষিত হয়।
  - ➢ ব্যক্তিৰ বৃত্তি, সম্বন্ধ, যেনে — শিক্ষক, ছাত্ৰ, পুৰোহিত, ধৰ্মযাজক, পিতৃ, পুত্ৰ, স্বামী, পত্নী ইত্যাদি অনুসৰি ভাষাৰ ভিন্নতা লক্ষ্য কৰিব পাৰি।
  - ➢ বিষয় অনুসৰি, যথা — বক্তৃতা দিয়া, কিবা এটা কথা জনোৱা, যুক্তিৰে কথা কোৱা বা আলাপ আলোচনা আদিৰ ভিত্তিতো ভাষা ভিন্ন হ'ব পাৰে।
  - ➢ মাধ্যম অনুসৰি, যেনে — কোৱাৰ মাধ্যম, লিখাৰ মাধ্যম, প্ৰচাৰ মাধ্যম অনুসৰিও ভাষাৰ ভিন্নতা সংঘটিত হয়।

  এইবোৰৰ উপৰি বিভিন্ন জীৱিকা অনুসৰিও কথিত ভাষাৰ মাজত পাৰ্থক্য হ'ব পাৰে। উদাহৰণস্বৰূপে, চাকৰিজীৱি শিক্ষিত আৰু অৰ্ধশিক্ষিত শ্ৰেণীৰ মাজত, মাছমৰীয়া, ধোবা, নাপিত, খৰিভাৰী, খেতি-বাতিৰ ওপৰত নিৰ্ভৰশীল লোকৰ মাত কথাত পাৰ্থক্য ওলাই

পৰে। তদুপৰি উচ্চ, মধ্য, নিম্ন মধ্য, নিম্ন বিত্ত শ্ৰেণীৰ মানুহ একে সম্প্ৰদায়ৰ হ'লেও ভাষাৰ কথন ৰীতিত পাৰ্থক্য ওলাই পৰে। সাধাৰণতে সামাজিক আৰু অৰ্থনৈতিক কাৰণত এনে হোৱাটো স্বাভাৱিক। এই সকলো বিষয় সমাজ ভাষা-বিজ্ঞানীয়ে আলোচনা কৰিব পাৰে।

বৰ্ণনাত্মক ভাষা-বিজ্ঞানীয়ে ভাষাৰ গাঁথনিক দিশৰ আলোচনাৰ মাজতে সীমাবদ্ধ থাকে। তেওঁলোকে ভাষিক গাঁথনিৰ লগত সামাজিক গাঁথনি মিলাবলৈ বিশেষ প্ৰয়োজন অনুভৱ নকৰে। বৰ্ণনাত্মক ভাষা-বিজ্ঞানীসকলে ভাষাৰ পৰিৱৰ্তনৰ কথাত চকু দিয়ে যদিও, ভাষাৰ পৰিৱৰ্তনত যে সামাজিক শক্তি এটা লুকাই থাকে এনে কথালৈ আওকাণ কৰি চলে। বৰ্ণনাত্মক ভাষা-বিজ্ঞানীয়ে আওকাণ কৰি চলা এনেবোৰ কথালৈ সমাজ ভাষা-বিজ্ঞানীয়ে মনোযোগ দিয়ে।

এনেধৰণে দেখা যায় যে সমাজ-ভাষা-বিজ্ঞানৰ ক্ষেত্ৰ বৰ ব্যাপক। সামাজিক কাৰণত হ'ব পৰা ভাষাৰ সকলো ধৰণৰ ভেদকে ইয়াত সমানে মূল্য দিয়া হয়। সম্ভৱপৰ সকলো ধৰণৰ ভেদকে স্পষ্ট আৰু সংহত ৰূপত চিত্ৰৰ দৰে তুলি ধৰিব খোজাত সমাজ-ভাষা-বিজ্ঞানী বিশেষ আগ্ৰহী। ভাষাৰ ক্ষেত্ৰত ভুল-শুদ্ধৰ বিচাৰ বৈজ্ঞানিক বিচাৰ নহয়। সমাজ-ভাষা-বিজ্ঞানীয়েও ভুল-শুদ্ধৰ মাপকাঠিৰে ভাষাভেদৰ মূল্যায়ন নকৰে। তেওঁলোকে ভাষাভেদৰ প্ৰয়োগত সীমাৰেখা চিহ্নিত কৰি উলিয়ায়। নিজ নিজ সীমাৰেখাৰ ভিতৰত প্ৰতিটো ভেদেই শুদ্ধ। কেৱল সীমাৰ বাহিৰতহে সি অগ্ৰহণীয় হৈ পৰে।

- **ভূ-ভাষা-বিজ্ঞান ঃ** ভূ-ভাষা-বিজ্ঞান ভাষা-বিজ্ঞানৰ এটি নতুন শাখা। ইয়াত ভাষাৰ ব্যৱহাৰিক দিশবোৰৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। কোনো এক ভৌগোলিক পৰিৱেষ্টনত প্ৰচলিত ভাষাৰ বিভিন্ন ভাষাৰ সৈতে সংমিশ্ৰণ ঘটাৰ ফলত ৰূপৰ পৰিৱৰ্তন ঘটে। কেতিয়াবা আকৌ এটা ভাষাই অন্য এটা ভাষাৰ লগত মিশ্ৰণ ঘটি নিজস্ব বৈশিষ্ট্যখিনি হেৰুৱাই আন ভাষাৰ লগত মিলি যায় । এনেধৰণৰ কথাবোৰ ভাষা-ভূগোল বিজ্ঞানে সামৰি লয়। ভাষা-উপভাষাসমূহত প্ৰচলিত ধ্বনি, ৰূপ, শব্দ, বাক্যবিন্যাস আদিৰ ক্ষেত্ৰত দেখা দিয়া পৰিৱৰ্তন বৰ্ণনাত্মক, ঐতিহাসিক আৰু তুলনামূলক দৃষ্টিকোণৰ পৰা অধ্যয়ন চলাই বিচাৰ-বিশ্লেষণ কৰি সেই ভাষা-উপভাষাসমূহৰ ভৌগোলিক সীমা নিৰ্ণয় কৰাতো ভূ-ভাষাবিজ্ঞানে সহায় কৰে।
- **প্ৰয়োগ ভাষা-বিজ্ঞান ঃ** ভাষাৰ ব্যৱহাৰিক বা প্ৰায়োগিক দিশসমূহক লৈ ভাষা-বিজ্ঞানৰ যিটো শাখা গঢ় লৈ উঠিছে তাৰ নাম প্ৰয়োগ ভাষা-বিজ্ঞান। আন কথাত ভাষা-বিজ্ঞান অধ্যয়ন কৰি পোৱা জ্ঞান দৈনন্দিন জীৱনৰ কোনো এক ক্ষেত্ৰত প্ৰয়োগ কৰা বা কামত লগোৱাটোকে প্ৰয়োগ ভাষা-বিজ্ঞান বুলিব পাৰি। প্ৰয়োগ ভাষা-বিজ্ঞানীয়ে ভাষা এটা অধ্যয়ন কৰি ভাষাটো আয়ত্ত কৰিবৰ বাবে বা আনক শিকাবৰ বাবে কিছুমান কৌশল অৱলম্বন কৰে। বিষয়টো কেনেদৰে উপস্থাপন কৰিব, কেনেদৰে শিক্ষা দিব, ভাষাটোৰ শুদ্ধ উচ্চাৰণ কেনেকুৱা, সুৰ-লহৰ আদি কেনেকুৱা ইত্যাদি বিষয়ে প্ৰয়োগ ভাষা-বিজ্ঞানীয়ে পৰামৰ্শ দাঙি ধৰে। ভাষাৰ অনুশীলন কৰিবৰ বাবে তেওঁলোকে শব্দৰ নমুনা, বাক্যৰ নমুনা আদিও দাঙি ধৰে। ভাষা-শিক্ষক আৰু ভাষা-বিজ্ঞানীৰ মাজত গুণগত পাৰ্থক্য পৰিলক্ষিত হয়। ভাষা-শিক্ষকৰ ভাষা অধ্যয়নৰ বিজ্ঞানসন্মত জ্ঞান নাথাকিব পাৰে। কিন্তু প্ৰয়োগ ভাষা-বিজ্ঞানীয়ে ভাষা শিকোৱাৰ ক্ষেত্ৰত

দাঙি ধৰা কৌশলসমূহ ভাষা শিক্ষকেও আহৰণ কৰি ল'ব পাৰে।

বৰ্তমানৰ জ্ঞান-বিজ্ঞানৰ সম্প্ৰসাৰণৰ যুগত প্ৰয়োগ ভাষা-বিজ্ঞানৰ পৰিসৰ বৰ ব্যাপক হৈ পৰিছে। বৰ্তমানে ই তলত উল্লেখ কৰা বিষয়সমূহ সামৰে।

- ভাষা-শিক্ষা ঃ মাতৃভাষা, দ্বিতীয় ভাষা আৰু বিদেশী ভাষা আদি সকলো ধৰণৰ ভাষাৰ শিক্ষা প্ৰদান।
- কলা-বোবা আৰু জন্মৰে পৰা মানসিক বিকাশত প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা লোকক ভাষাৰ শিক্ষাদান।
- মাতৃভাষাত কথন আৰু লিখন শৈলীৰ বিকাশ সাধন।
- অভিধান প্ৰণয়ন।
- পঠন আৰু ৰচনাৰ দক্ষতাৰ বিকাশ সাধন; অৰ্থাৎ বাক্-বিন্যাসত পটুতা।
- সমাজৰ স্তৰ বিন্যাস অৰ্থাৎ গাঁথনিক দিশৰ অধ্যয়ন আৰু
- যন্ত্ৰৰ সহায়ত অনুবাদ।

- **ৰূপান্তৰ সৃজনাত্মক ব্যাকৰণ ঃ** বৰ্ণনাত্মক তথা গাঁথনিক ভাষা-বিজ্ঞান ধাৰাৰ তাত্ত্বিক দুৰ্বলতা দেখুৱাই মাৰ্কিন ভাষা-বিজ্ঞানী নোৱম চমস্কিয়ে বিংশ শতিকাৰ দ্বিতীয়াৰ্ধৰ আৰম্ভণিত যি নতুন ভাষা-বৈজ্ঞানিক তত্ত্বৰ উন্মেষ ঘটায়, তাৰ নাম ৰূপান্তৰ সৃজনাত্মক ব্যাকৰণ। এই তত্ত্বৰ সৈতে ব্যাকৰণ (Grammar) শব্দটো জড়িত হৈ থাকিলেও প্ৰকৃতপক্ষে ই এক ভাষাবৈজ্ঞানিক তত্ত্ব। এই তত্ত্বৰ মূল ভিত্তি হৈছে ৰূপান্তৰ (Transformation) আৰু সৃজনাত্মক (Generative)। মানুহ সৃজন ক্ষমতাৰ অধিকাৰী বাবে একোটাহঁত ভাষাৰ সীমিত সংখ্যক গাঁথনিক নিয়মৰ জৰিয়তে অসীম সংখ্যক বাক্য উৎপাদন কৰিব পাৰে। মানুহৰ ভাষাৰ সৈতে বুদ্ধিদীপ্ত মনোজগত অনৱৰতে জড়িত হৈ থাকে। এই মানসিক বাস্তৱৰ সৈতে সম্পৃক্ত হৈ থকা ভাষা-সম্পদৰ স্বৰূপ উদ্ঘাটন কৰাই ৰূপান্তৰ সৃজনাত্মক ব্যাকৰণৰ কাম। বাক্যৰ পৰা ধ্বনি তথা অৰ্থলৈ কৰা ক্ৰমাগত বিশ্লেষণ এই ভাষা-বিজ্ঞানৰ প্ৰধান বৈশিষ্ট্য।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৩ ঃ** তুলনাত্মক ভাষা-বিজ্ঞানৰ দৃষ্টিভংগীৰে অধ্যয়ন কৰা দুখন গ্ৰন্থৰ নাম লিখক।

......................................................................................

**প্ৰশ্ন নং ৪ ঃ** বিসমগোত্ৰীয় দুটা ভাষাৰ মাজত বৈপৰীত্যমূলক ভাষা-বিজ্ঞানৰ অধ্যয়ন হ'ব পাৰেনে?

......................................................................................

**প্ৰশ্ন নং ৫ ঃ** ভাষা আৰু সমাজৰ মাজত থকা সম্বন্ধৰ দিশসমূহ ভাষা-বিজ্ঞানৰ কোনটো শাখাত অধ্যয়ন কৰা হয়?

......................................................................................

**প্ৰশ্ন নং ৬ ঃ** অভিধান প্ৰণয়ন বিষয়টো প্ৰয়োগ-ভাষা-বিজ্ঞানৰ পৰিসৰৰ ভিতৰত সাঙুৰি ল'ব পৰা যায়নে?

..........................................................................................................

**প্ৰশ্ন নং ৭ ঃ** মনোভাষা-বিজ্ঞান অধ্যয়নৰ মূল বিষয়সমূহ কি কি?

..........................................................................................................



## ৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়**টোত** আমি ভাষা-বিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখাসমূহৰ বিষয়ে অধ্যয়ন কৰিলোঁ। ভাষা অধ্যয়নৰ বিষয় আৰু প্ৰকৃতি অনুসৰি যে ভাষা-বিজ্ঞানক বৰ্ণনাত্মক, ঐতিহাসিক, তুলনামূলক — এই তিনিটা ভাগত ভাগ কৰা হৈছে সেই বিষয়ে জনাৰ উপৰি প্ৰত্যেকটো শাখাত কি কি বিষয়ত গুৰুত্ব আৰোপ কৰি কেনেদৰে অধ্যয়ন কৰা হয় সেই সম্পৰ্কেও কিছু ধাৰণা লাভ কৰিব পাৰিলোঁ।
- মানৱ-সভ্যতা-সংস্কৃতিৰ বিকাশৰ লগে লগে ভাষা-বিজ্ঞানৰ নানা সমল প্ৰযুক্ত হৈ নতুন নামকৰণেৰে কিছুমান নতুন শাখাৰ বিকাশ ঘটিল। সেইবোৰক ভেদাত্মক বা বৈপৰীত্যমূলক, মনোভাষা-বিজ্ঞান, সমাজ ভাষা-বিজ্ঞান, ভূ-ভাষা-বিজ্ঞান, প্ৰয়োগ ভাষা-বিজ্ঞান, ৰূপান্তৰ সৃজনাত্মক ব্যাকৰণ আদি নামেৰে নামকৰণ কৰা হৈছে বুলিও জানিব পাৰিলোঁ।
- বৰ্ণনাত্মক ভাষা-বিজ্ঞানত কোনো এটা কালৰ ভাষাৰ কথিত ৰূপৰ আভ্যন্তৰীণ গঠনৰ দিশত অধিক গুৰুত্ব দিয়া হয় আনহাতে ঐতিহাসিক ভাষা-বিজ্ঞানত ভাষাৰ মূল নিৰ্ণয়ত গুৰুত্ব দিয়া হয়। আকৌ তুলনাত্মক ভাষা-বিজ্ঞানত সমগোত্ৰীয় দুটা ভাষাৰ মাজত তুলনা দাঙি ধৰা হয়, কিন্তু বৈপৰীত্যমূলক ভাষা-বিজ্ঞানত সমগোত্ৰীয় বা বিসমগোত্ৰীয় দুই বা ততোধিক ভাষাৰ ভেদাত্মক বিশ্লেষণ কৰা হয়।
- সমাজ ভাষা-বিজ্ঞানত ভাষা আৰু সমাজৰ মাজত থকা সম্বন্ধৰ সকলো দিশৰ অধ্যয়ন কৰা হয় ।প্ৰয়োগ ভাষা-বিজ্ঞানত ব্যৱহাৰিক বা প্ৰায়োগিক দিশত ভাষা শিক্ষা দিবৰ বাবে ভাষা-বিজ্ঞানৰ অধ্যয়নৰ সহায়ত জ্ঞানৰ যি প্ৰয়োগ কৌশল আৱিষ্কাৰ কৰা হৈছে সেই সম্পৰ্কে অধ্যয়ন কৰা হয় বুলি আমি এই অধ্যায়টোৰ জৰিয়তে জানিব পাৰিলোঁ।
- ভাষা এটা অধ্যয়ন কৰোঁতে কোনটো শাখা প্ৰয়োগ কৰা হৈছে সেই সম্পৰ্কে আমি এই অধ্যায়টিৰ জৰিয়তে এটা ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ম।